**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-05-2025 **Time :** 0755Hrs.

**Assamese Morning Bulletin**

ৰাজ্য তথা উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জলপথৰ দ্ৰুত উন্নয়ন আৰু ৰূপান্তৰৰ বাবে কেন্দ্ৰীয় চৰকাৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰিছে। গুৱাহাটীৰ সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰত ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধীনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা অভিলাষী প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি শ্ৰীসোণোৱালে বিগত দুবছৰত অঞ্চলটোত এইক্ষেত্ৰত এহেজাৰ কোটি টকাৰ বিনিয়োগ কৰা হৈছে বুলি জানিবলৈ দিয়ে। ইয়াৰে ৩০০ কোটি টকা প্ৰকল্পৰ কাম ইতিমধ্যে সম্পন্ন হৈছে বুলি অৱগত কৰি মন্ত্ৰীগৰাকীয়ে বাকী থকা ৭০০ কোটি টকা ব্যয় সাপেক্ষ প্ৰকল্পৰ কাম ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ অঞ্চলটোৰ জলপথ উন্নয়নত অতিৰিক্ত এহেজাৰ কোটি টকাৰ বিনিয়োগ অচিৰেই কৰা হ'ব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ অসমত ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি নদী প্ৰণালীৰে সমৃদ্ধ জলপথসমূহে বাণিজ্য আৰু অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি মন্তব্য কৰে। আভ্যন্তৰীণ জলপথসমূহে সামগ্ৰী আৰু যাত্ৰী পৰিবহণৰ ক্ষেত্ৰত ন্যূনতম ব্যয়ৰে পৰিৱেশ অনুকূল মাধ্যম হিচাপে কাম কৰি আহিছে। জলবাহকৰ দৰে আঁচনিয়ে ৰে'লপথ আৰু স্থলপথৰ ভিৰ হ্ৰাস কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। পৰ্যটনৰ সুবিধাৰ বাবে আৰু কাৰ্গ' সঞ্চালন বৃদ্ধিৰ বাবে শিলঘাট, বিশ্বনাথ ঘাট, নিমাতী ঘাট আৰু গুইজানত তীৰৰ সুবিধা থকা জেটি নিৰ্মাণৰ লগতে আনুষংগিক সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ বাবে প্ৰতিষ্ঠানটোত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ড° শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। এই সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ দুলুংমুখ সংমণ্ডলত আজিৰে পৰা ৩০ আগষ্টলৈ সেনা বাহিনীৰ সশস্ত্ৰ অনুশীলন কৰা হ'ব। এই সময়ছোৱাত সেনা বাহিনীয়ে বোমা বিস্ফোৰণ, গুলীচালনা আদিৰ অনুশীলন কৰিব। লখিমপুৰ জিলা প্ৰশাসন আৰু বন বিভাগে এটা নিৰ্দেশযোগে এই সময়ছোৱাত দুলুংমুখ এলেকাত  সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি ৰোধ কৰাৰ উদ্দেশ্যে এই ক্ষেত্ৰত সজাগ কৰিবলৈ প্ৰশাসনে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে চলিত পৰ্যটন বৰ্ষত সৰ্বাধিক পৰ্যটকে পৰিদৰ্শন কৰা দেশৰ ৰাষ্ট্ৰীয় উদ্যানৰ তালিকাত তৃতীয় স্থান লাভ কৰিছে। ২০২৪-২৫ পৰ্যটন বৰ্ষত ৪ লাখ ৪৩ হাজাৰ পৰ্যটকে উদ্যানখন

ভ্ৰমণ কৰিছিল। ইয়াৰ পৰা ১১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে প্ৰকাশ কৰিছে। যোৱা বছৰৰ তুলনাত এইবাৰ ৩৫ শতাংশ পৰ্যটক বৃদ্ধি হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে কালিৰে পৰা বন্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা ১ মে'ত হাতী চাফাৰী বন্ধ কৰিছিল। হাতী চাফাৰী বন্ধ হোৱাৰ পাছত পৰ্যটকৰ বাবে উদ্যানখনত জীপ চাফাৰী উপলব্ধ আছিল। ইফালে ৰাজ্যৰ আন এখন প্ৰখ্যাত ৰাষ্ট্ৰীয় উদ্যান মানাহ দৰ্শনাৰ্থীৰ বাবে বছৰৰ ১২ মাহে খোলা ৰখাৰ চিন্তা-চৰ্চা কৰা হৈছে বুলি পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জানিবলৈ দিছে। কালি বাক্সাৰ মথনগুৰিত সাংবাদিকৰ সৈতে হোৱা এটা বাৰ্তালাপত মন্ত্ৰীগৰাকীয়ে এইবিষয়ে উল্লেখ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জল আৰু অনাময় অভিযানৰ এখন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড়, মৰাণ আৰু নাহৰকটিয়াৰ উপ-সংমণ্ডলৰ অন্তৰ্গত অঞ্চলসমূহত জল-জীৱন মিছনৰ অধীনত নলযোগে পানী সংযোগ প্ৰদান, পানীৰ গুণাগুণ পৰীক্ষা আদি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই সভাতে স্বচ্ছ ভাৰত অভিযান-গ্ৰামীনৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়।

০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ত অসমীয়া বিভাগ মুকলি কৰাৰ লগতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰাৰ বাবে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আহ্বান জনাইছে। কালি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত বাংলা ভাষাৰ ১১ গৰাকী ছহিদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত অংশ লৈ ড° গোস্বামীয়ে প্ৰকাশ কৰে। বাংলা আৰু অসমীয়া ভাষাৰ আদান-প্ৰদানৰ মাধ্যমেৰে সাহিত্য সম্ভাৰ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উদ্দেশ্যে অহা ছেপ্তেম্বৰত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ভক্‌ছুঙত সম্ভাব্য বানৰ প্ৰস্তুতি সন্দৰ্ভত কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত কাৰ্বি লাংপি নৈৰ বাঢ়নী পানীয়ে প্ৰতিবছৰে ক্ষতি কৰা অঞ্চলসমূহৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বানৰ সময়ত গ্ৰহণ কৰিবলগীয়া জৰুৰীকালীন ব্যৱস্থা সন্দৰ্ভতো সভাই আলোচনা কৰে। জিলাখনৰ আয়ুক্ত সাৰংগপানি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সঘনে বানত ক্ষতিগ্ৰস্ত হোৱা খাৰুপিন্ধা, আমডুবি অঞ্চলৰ উপৰি পৰৱৰ্তী পৰ্যায়ত তামোলবাৰী, বৰকক, ডালিমবাৰীকে ধৰি কেইবাটাও অঞ্চলক গুৰুত্বসহকাৰে লোৱাৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০

**সমাপ্ত**